# জীৱ গগৈৰ কবিতা

Issue: Vol. IV, No. 1, May-July, 2025

**অনন্ত জিজ্ঞাসা**

মোৰ কোঠাৰ খিৰিকীৰ চিচাবোৰ ভাগিছে
কোনোবাখনৰ দীঘলীয়াকৈ মেলা ফাটবোৰত ব্লেকটেপ লগোৱা
ভিতৰলৈ নেদেখা চিৰামিক এন্ধাৰ

নিবিড় মগ্নতাত
চনককৈ ভাগি সৰি পৰে চিচা হেন হৃদয়বোৰ
চূড়মাৰ হয় কাৰোবাৰ চনকা প্ৰতিবিম্ব
যাৰ বাবে তুমিও কাতৰ

একান্ত নিজানত
ভগ্ন খিৰিকীৰে আমি জুমি জুমি চাওঁ
জীৱনৰ অনাদি অনন্ত। পাওঁ হেৰুৱাওঁ নেপাওঁ

উন্মীলিত পৰ্দাৰ ফাঁকেৰে হাত মেলি বিচাৰোঁ
অসীমত অনুভূত আকাংক্ষা

এন্ধাৰ খিৰিকীৰ ভগ্ন কাঁচত স্বপ্নৰ আঘাত
সীমাহীনতাৰ অনন্ত জিজ্ঞাসা।

**বুলডজাৰ**

ধাতব উত্তাপত
পিয়াহৰ গিলাচ এটাত
ডুব গৈ আছোঁ

এটা অহৈতুক স্বপ্নদগ্ধত
বিতচকুযোৰৰ ৰেডিয়েন্ট চিচাখন
চনককৈ লাগিছে। আঙুলিৰে বৈ পৰে
নিগ্ৰহিত নীলাৰ টোপাল

কাৰুণ্যত উচুপি আছে বিধ্বস্ত হৃদয়
বুকুৰেদি উটি যায় ইকৰা বেৰৰ ভগ্ন বিলাপ
নৈৰ আত্মগাথাত পোতা মৰা মাছৰ ৰুগ্ন জঁকা

অধোমুখ স্বপ্নৰ ভৰত
চোতালত কাঞ্চনজোপা উভালি পৰিল
আঁজুৰি ছিঙে গাভৰু গছৰ ডাল

ৰঙীন অনলাইনৰ বিলাস পৃথিৱী
প্ৰতিখন দলঙৰ পৰা জঁপিয়াই আত্মহত্যা কৰিবলৈ উদ্যত
অতৃপ্ত আত্মাৰ অভিশপ্ত ছায়া

উচ্ছেদিত আত্মজ

টোপনিতে উচপ খাই উঠে ৰুণজুণ হাতৰ খাৰু
ভৰিৰ জুনুকা, ডিঙিৰ উশাহ

শিলসাঁকো। বুকুত বুলডজাৰ

**জীৱ গগৈ** এগৰাকী কবি। দুলীয়াজান নিবাসী গগৈৰ কবিতা বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাইছে।